(i) If a family suffer from continuous illness and failed to get rid of it compels the illiterate sick person or the members of the family to suspect some neighbour or some distant relatives as witch who has caused that illness.

(ii) There are some cases when close relatives or in-laws are suspected as witch. In those cases also suspects are not spared.

(iii) There are interesting cases when a person is accused after he confesses before his friends that he has the power to kill people with his power of witchcraft.

(iv) If a man or woman is suspected as a witch he or she is physically tortured and finally excommunicated from the village.

There are various causes of the backwardness among the tribal people of Assam. These are as follows-

(i) Lack of awareness about the witch and the lack of education

(ii) Non- availability of higher educational institution in the remote rural areas

(iii) Lack of transport and communication facilities

(iv) Lack of modern medical facilities in the interior areas

(v) Traditional method of treatment is very popular among them

Most of the people living in the interior areas are not aware about the need and significance of education. However, it is a well-known fact that education is the vital factor for the development of any community. A considerable number of tribal people do not send their sons and daughters to schools as they have to work in agricultural fields. On the other hand, a section of them even does not think about education of their daughters. Because of which most of the tribal boys and girls remain illiterate, this has become a barrier in the ways of the development of the community.

Transport and communication facilities are one of the problems of the many tribal villages. The interior tribal villages are deprived of the necessary facilities for transport and communication. Because of which many interior tribal villages are ignorant about the modern medical facilities, development programme etc. For lack of transport and communication they do not approaches for treatment of disease to medical doctor because in the interior areas there is no modern medical facilities and doctor. Therefore, they first

approach for treatment of a patient to a traditional medicine man. Traditional methods of treatment of a patient are very common among them. Most of the villages have a traditional medicine man or *ojhas* for treatment of diseases of the village people.

It is very important to point out that a very small proportion of the tribal community of Assam are engaged in witch hunting activities. Compared to the mainstream population the percentage is negligible.

Based on findings in this works the researcher feels the need for recommendations for the alleviation of the conditions, which lead the tribal communities to witch-hunting. As a student of anthropology, the researcher would like to recommend the following measures.

(i) As the people have the cultural framework where they have experienced the habit of blaming the witches for various misfortunes faced by the uneducated village people, they cannot prevent doing such activities until and unless their existing frameworks are changed within the society.

(ii) Many of the reasons for witch hunting lie within the socio-economic milieu of the witch hunters. Beliefs, customs, ignorance, low literacy level, poverty, marginalisation and exploitation by the *ojhas* may be considered as the factors giving rise to witch-hunting. Special attention should be given to the elevation of socio-economic background of the tribals.

(iii) There is a serious need for the removal of evil practices of witchcraft, which result in the murder of innocent people. The tribals with their ignorance of diseases and other critical situations find a scapegoat for the release of their psychological stress. The *ojha* is an instrument to it.

(iv) In order to remove superstitions proper understanding of the causes of witch hunting relating to health and diseases is necessary. This may be implemented with the help of specialists employed by the Government and N.G.O.

(v) Spread of education, improvement in sanitary and health conditions, modernization of health care system etc. are the urgent need of the hour.

(vi) Awareness among the people against these ill effects and killing and torturing innocent people must be stopped by the Government and private agencies, N.G.O's etc.

(vii) Strict rules of discipline and punishment to the criminals must be maintained by the Government, so that the killers are afraid to do evil works. No, guilty person should escape from the eye of the law.

(viii) Religious practitioners should be restrained not to create panic among the illiterate people.

(ix) There is a need for voluntary urge to change the attitude of the traditional practitioners by themselves.

(x) Above, all there is an urgent need for the codification of customary laws of the tribals of Assam. There is necessity for recognition of such customary laws in the judicial system for dealing with the witch hunters. Experts should do this from the disciplines of Anthropology, sociology and law.

Some of the people of tribal community's representatives may also participate in the process. These need to be done in such a way that in the process of bringing proper justice to the tribal communities, it may not add more harm to their existing misery. ***

# এফ-এম ৰেডিঅ'ত ব্যৱহৃত সমকালীন অসমীয়া ভাষা ঃ এটি চমু আলোকপাত

ড° জুৰি শৰ্মা
প্ৰৱক্তা, অসমীয়া বিভাগ
একাডেমী পইণ্ট অফ গুৱাহাটী

মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ ক্ষেত্ৰত ভাষাই আটাইতকৈ শক্তিশালী মাধ্যমৰ ভূমিকা গ্ৰহণ কৰি আহিছে। অসমৰ প্ৰধান ভাষা হিচাপেই নহয় ৰাজ্যিক ভাষা হিচাপেও সৰু-বৰ জাতি-জনগোষ্ঠীৰ লোকসকলৰ মাজত অসমীয়া ভাষা সমাদৃত। অৱশ্যে, অসমীয়া ভাষাটোক কিছু আঞ্চলিক আৰু নৃ-গোষ্ঠীয় ৰূপো নথকা নহয়। সাধাৰণতে ভাষাৰ দুটা ৰূপ বিদ্যমান-মৌখিক আৰু লিখিত। লিখিত ৰূপৰ তুলনাত মৌখিক পৰিৱৰ্তন অতি দ্ৰুত। ভাষাৰ এই পৰিৱৰ্তনশীলতা গুণৰ বাবেই সময়ে সময়ে অসমীয়া ভাষাৰো বিভিন্ন দিশত পৰিৱৰ্তন হোৱা পৰিলক্ষিত হয়।

বিশেষ এটা সময়ত প্ৰচলিত ভাষাৰূপকে সমকালীন ভাষা ৰূপ বোলা হয়। অসমীয়া ভাষাৰ ক্ষেত্ৰতো এই ৰূপ বিদ্যমান। বিশেষকৈ নৱপ্ৰজন্মৰ ক্ষেত্ৰত এই কথা অধিক প্ৰযোজ্য। কিয়নো নৱ প্ৰজন্মৰ মুখৰ অসমীয়া ভাষাত এতিয়া অকল সৰ্বভাৰতীয় ভাষাৰ ৰূপেই নহয়, আন্তঃৰাষ্ট্ৰীয় ভাষা ৰূপৰো সংঘালনিকৈ প্ৰয়োগ হোৱা দেখা যায়। দৰাচলতে, 'আমাৰ কথিত ভাষাত আন ভাষাৰ বহু শব্দ বৰ্তমান ব্যৱহৃত হৈ অহাৰ ফলত অসমীয়া কথিত ভাষাটো সঁচাকৈয়ে 'হিংলিছমিয়া' (হিন্দী + ইংলিছ + অসমীয়া) বা 'হিংলিছ বাংলামিয়া' (হিন্দী + ইংলিছ + বাংলা + অসমীয়া) যেন হৈ পৰিছে।[১] অৰ্থাৎ 'এক প্ৰকাৰে ক'বলৈ গ'লে আজিৰ প্ৰজন্মৰ মাজত সৰ্বভাৰতীয় হিন্দী-ইংৰাজী মিশ্ৰিত হিংলিছ ভাষাৰ অনুৰূপভাৱে অসমীয়া ভাষাতো বাংলা-হিন্দী, ইংৰাজী মিশ্ৰিত খিচুৰি ভাষা (বেংগোমিজ, হিন্দীমিক, এংলোমিজ বা বাংলামীয়া, হিন্দীমিয়া, ইংমীয়া/ইংৰাজীমীয়া)ৰ জনপ্ৰিয়তা বাঢ়িবলৈ ধৰিছে।'[২]

সাম্প্ৰতিক কালৰ প্ৰচাৰ মাধ্যমসমূহৰ ভিতৰত এটি অন্যতম আৰু জনপ্ৰিয় প্ৰচাৰ মাধ্যম হ'ল- এফ.এম. ৰেডিঅ'। এফ. এম. (F.M.) যাৰ সম্পূৰ্ণ নাম -'ফ্ৰিকোয়েন্সি মডুলেশন'।[৩] এফ.এম. ৰেডিঅ'ৰ পৰিধি সীমিত হ'লেও ইয়াৰ জনপ্ৰিয়তা সুদূৰ প্ৰসাৰী। আজিৰ পৰা প্ৰায় তিনি-চাৰি বছৰমান আগতে অসমৰ ৰাজধানী গুৱাহাটীত 'উ-লা-লা' (সম্প্ৰতি বন্ধ হৈ আছে) এফ.এম. চেনেলৰ জৰিয়তে এফ.এম চেনেলৰ প্ৰচলন হ'বলৈ ধৰে। এই চেনেলৰ জৰিয়তে এফ.এম. চেনেলৰ প্ৰচলন হ'বলৈ ধৰে। এই চেনেলসমূহৰ প্ৰধান উদ্দেশ্যই হৈছে- শ্ৰোতাৰ সৈতে য'ত বিনিময়ৰ লগতে শ্ৰোতাৰ মনোৰঞ্জন প্ৰদান কৰা প্ৰাত্যহিক জীৱনত বিভিন্ন কাম-কাজত ব্যস্ত থকাৰ সময়তো অকণো আউল নলগাকৈয়ে এফ. এম.ৰ বিভিন্ন অনুষ্ঠান শুনি মনোৰঞ্জন লাভ কৰিব পৰা যায়। হয়তো সেইবাবেই এই এফ.এমৰ জনপ্ৰিয়তা সৰ্বাধিক। কণ-কণ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি আবাল বৃদ্ধা বণিতালৈকে সকলোৱে সম্প্ৰতি এফ.এম. ৰ প্ৰতি আকৰ্ষিত। গুৱাহাটী মহানগৰীৰ লগতে ইয়াৰ উপকণ্ঠ অনেক অঞ্চলৰে প্ৰায় প্ৰতি ঘৰে ঘৰে, চিটিবাছ, ব্যক্তিগত গাড়ী, অটোৰিক্সা, দোকান-বজাৰ আদিত এফ. এম. ৰ পয়োভৰ দেখা যায়। ইয়াৰ উপৰিও বৰ্তমানৰ বিভিন্ন কোম্পানীৰ ম'বাইল ফোনসমূহতো এফ.এমৰ ব্যৱস্থা থকাত এফ.এম.ৰ দ্বাৰা সাময়িক আনন্দ লাভ কৰাটো অতি সহজলভ্য হৈ পৰিছে। এই চেনেলসমূহৰ প্ৰধান লক্ষ্যই হৈছে-জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো লোককে সমানভাৱে আকৰ্ষিত কৰা। সেয়েহে এই চেনেলসমূহৰ ঘোষক-ঘোষিকাসকলৰ মুখত সততেই হিন্দী-ইংৰাজী-বাংলা ভাষাৰ উপৰিও অন্যান্য ভাষা কেতবোৰৰ এক সংমিশ্ৰিত ৰূপ শুনিবলৈ পোৱা যায়। বিশেষকৈ অসমীয়া ভাষাৰ সৈতে হিন্দী-ইংৰাজী মিশ্ৰিত কথা বতৰা অধিক শুনিবলৈ পোৱা যায়।

এফ.এম. চেনেলসমূহত সততে প্ৰয়োগ কৰা সমকালীন অসমীয়া ভাষা ৰূপৰ কেতবোৰ চানেকি এনেধৰণৰ-

(ক) বিভিন্ন এফ.এম. চেনেলৰ নাম ঃ

91.9 উ-লা-লা(সম্প্ৰতি বন্ধ হৈ আছে)

92.7 বিগ এফ. এম

94.3 গপ্ চপ্

93.5 ৰেড এফ. এম. ইত্যাদি

(এই নামবোৰৰ অধিকাংশই হিন্দী-ইংৰাজীৰ মিশ্ৰিত ভাষাৰ)।

(খ) এফ.এম.ৰ বিভিন্ন অনুষ্ঠানৰ শিৰোনাম ঃ

91.9 উ-লা-লা ঃ ডাইৰেক্ট দিলছে, উ-লা-লা টপ টেন, কেম্পাছ মন্ত্ৰ, অশান্ত ইভিনিং, জবান চম্ভালকে ইত্যাদি।

92.7 বিগ এফ. এম ঃ হোম মিনিষ্ট্ৰি, বেগ চাহ গৰম, হেল্প' 92.7 বেক টু বেক (হিন্দী-অসমীয়া সানমিহলি গানৰ অনুষ্ঠান।

94.3 গপ্ চপ্ ঃ মৰ্ণিং ৰাগ, গুৱাহাটী মেট্ৰ', কাৰৱা, কেৰিয়াৰ অনলাইন ইত্যাদি।

93.5 ৰেড এফ. এম. ঃ চুপাৰহিট গীত, ৰেডমূৰ্গা, ৰাজকোঁৱৰৰ নাইট চুপাৰ ইত্যাদি।

(অনুষ্ঠানৰ শিৰোনামবোৰৰ অধিকাংশই হিন্দী-ইংৰাজী-অসমীয়া মিশ্ৰিত ভাষাৰ)

(গ) বিভিন্ন অনুষ্ঠানৰ শিৰোনামৰ শীৰ্ষক গীতসমূহ ঃ

১। গপ্‌চপ্ 94.3 এফ. এম. ঃ

২। 92.7 বিগ এফ.এম.—শুনক শুনাওক লাইফ বনাওক।

৩। চুপাৰহিট ৰেড এফ.এম. বজাতে ৰহো ইত্যাদি।

(পাশ্চাত্য সংগীতৰ সুৰেৰে এই গীতসমূহ অনুষ্ঠানটোৰ আৰম্ভণি আৰু অনুষ্ঠানৰ মাজে-মাজে ঘোষিকাই সুৰীয়াকৈ গোৱা শুনা যায়।)

(ঘ) এফ.এম. চেনেলৰ ঘোষক-ঘোষিকাসকলে নিজৰ প্ৰকৃত নামৰ সলনি অতি চুটিকৈ এটি ছদ্মনাম লোৱাৰ লগতে বিভিন্ন ষ্টাইলত সেই নামবোৰ উচ্চাৰণ কৰে।

যেনে- 'মন্দিৰাৰ পৰিৱৰ্তে মেন্দী

ৰঞ্জিতাৰ পৰিৱৰ্তে আলিয়া

মিতালীৰ সলনি মুস্কান

তৰুণৰ সলনি তনুমেয়'[৪] ইত্যাদি

(ঙ) এফ.এম. চেনেলসমূহৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠানবোৰত ঘোষক-ঘোষিকাসকলে সঘনাই ব্যৱহাৰ কৰা শব্দ কেতবোৰ এনেধৰণৰ-

ছ' ছ' (So-So)

বাট' (But)

প্লিজ (Please)

ড'ণ্টমাইণ্ড (Don't mind)

টিপ্ টপ (Tip-top)

ফেন্টাষ্টিক (Fantastic)

ফাইন (Fine)

ও'চাম (Awasome)

ওৱেল (Wel)

চুপাৰ্ব (Superb)

ৰক-ইন (Rok-in)

হাই-ফাই (Hi-fi)

অ'কে (Ok)

বাই-বাই/বাই-চাই (Bye-Bye)

মস্তি/মস্ত

আৰে য়াৰ

আৰে দোস্ত

ঝাকাছ

বিন্দাছ

আচ্ছা ইত্যাদি।

(চ) এফ.এম.ত ব্যৱহৃত বাক্য কেতবোৰ এনেধৰণৰ-

ম'বাইলৰ ৰাইট অপ্চনত গৈ এছ.এম. এছ কৰক নেক্সট গাণটো ডেডিকেট কৰিছো।

সৰু সৰু কনটেষ্ট।

শুনি থাকক ননষ্টপ মিউজিক ৰাজকোঁৱৰৰ নাইট চুপাৰখনত।

বিভিন্ন কম্পিটিচনত পাৰ্টিচিপেট কৰি আপোনালোকে লাভ কৰিব পাৰে আকৰ্ষণীয় গিফট্ হেম্পাৰ ইত্যাদি।

এফ.এম.ৰ ভাষা সম্পৰ্কে সাংবাদিক-সাহিত্যিক অনুৰাধা শৰ্মা পুজাৰীয়ে দিয়া কেতবোৰ বাক্যৰ উদাহৰণ-

"আপুনি কুকিং ভাল পায়নে?

আপোনাৰ স্কুল গ'য়িং বাচ্ছাটোৰ টিফিন বনাবলৈ টাইম এডজাষ্ট কেনেকৈ কৰে?

আমি এতিয়া যায় আছো গায়িকা দিপালী বৰঠাকুৰ ঘৰলৈ যদিও তেওঁ এতিয়া গম নাপায়, তেওঁৰ পুৰণা গাণ চব

বজাম।"[৫]

(ছ) 92.7 বিগ এফ.এম.ৰ এটি অনুষ্ঠানৰ ঘোষিকা আৰু শ্ৰোতা এগৰাকীৰ কথোপকথনৰ একাংশ এনেধৰণৰ-

ঘোষিকা : কওকচোন দিপালী বাইদেউক কেনেকৈ চিনি পায়?

শ্ৰোতা : মই এক্সেুৰেলী মোক এজনী আণ্টীয়ে লৈ আহি ক'লে যে- এনেকে এটা কম্পিটিচনত তেখেতে এটা প্ৰাইজ পাইছে আমি একেলগে Wish কৰিব আহিলো। গম পালো ইয়াতে আহি আপোনালোকেও ইয়াত প্ৰগেমটো এৰেঞ্জ কৰিছে, খুব ভাল লাগিছে।

ঘোষিকা : আপুনি হাউচ ওৱাইফ নে?

শ্ৰোতা : মই হাউচ্-ওৱাইফ, বেছিকেলি আই এম এ ছিংগাৰ

ঘোষিকা : বেছিকেলি মানে ছিংগাৰ? এতিয়া গান এটা গাব লাগিব——

শ্ৰোতা : আপোনাৰ 92.7 বিগ এফ.এম.ত মোৰ লোকগীত বাজিয়ে থাকে।

ঘোষিকা : অ' —— আচ্ছা—— আচ্চা—অ'কে—— অ'কে-

ঘোষিকা : আপোনালোকে আছে মোৰ সৈতে মানে আৰ.জে. আলিয়াৰ সৈতে। বিগ 'শ্ৰীময়ী' আমাৰ এটা কনটেষ্ট বৰ্তমান চলি আছে 92.7 বিগ এফ.এম.ত। বহুত কেইগৰাকী কনটেষ্ট আহিছে আৰু তাৰ মাজত মই বাছি উলিওৱা ছয়গৰাকী কনটেষ্টৰ মাজৰ এগৰাকী হৈছে- দিপালী মেধী——ইত্যাদি।[৬]

ওপৰোদ্ধৃত চানেকিবাজিয়ে এই কথাই প্ৰতীয়মান কৰে যে-অসমৰ অতি জনপ্ৰিয় প্ৰচাৰ মাধ্যমৰ লগতে মনোৰঞ্জনৰ মাধ্যম হিচাপে বহুলভাৱে ব্যৱহৃত এফ.এম. ৰেডিঅ'ত সমকালীন অসমীয়া ভাষাৰ প্ৰয়োগ যথেষ্ট পৰিমাণে পৰিলক্ষিত হয়। গাঁৱে -ভুঞে, চহৰে-নগৰে এফ. এম. ৰেডিঅ'ৰ ষ্টাইলত ভাষা কোৱা লোকৰ সংখ্যাও দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। নিভাঁজ অসমীয়া শব্দৰ সলনি বিভিন্ন ভাষাৰ ঋণকৃত শব্দ প্ৰয়োগ কৰি বাক্য গঠন, কৰা ৰীতিক অনেকেই অনুকৰণ কৰা দেখা যায়। আনকি এফ.এম.ত অসমীয়া ভাষাত প্ৰচলিত জতুৱা ঠাঁচ, খণ্ডবাক্যসমূহৰ ভুল অৰ্থ উলিয়াই ব্যঙ্গাত্মকভাৱে ব্যৱহাৰ কৰাৰ ফলশ্ৰুতিতে নব প্ৰজন্মৰ একাংশই এনে ভুল অৰ্থ আৰোপিত জতুৱাঠাঁচ খণ্ডবাক্যবোৰকে শুদ্ধ বুলি ব্যৱহাৰ কৰিবলৈ লৈছে।

মৌখিকভাৱে ব্যৱহৃত এফ.এম.ৰ এই মিশ্ৰিত ভাষাৰ ৰূপ সম্প্ৰতি এচাম লিখকৰ ৰচনাৰাজিতো পৰিলক্ষিত হয়। অৱশ্যে, স্থান-কাল-পাত্ৰ ভেদে একেখিনি মানুহে প্ৰয়োগ কৰা সমকালীন ৰূপৰ ক্ষেত্ৰতো বৈচিত্ৰ বিদ্যমান। যাৰ বাবেই পৰিস্থিতি নিৰ্দ্ধাৰক ভাষা (ৰেজিষ্টাৰ)ৰ দৰে অতি পৰিৱৰ্তনশীল এই ভাষা ৰূপ স্থায়ী ৰূপ নিৰ্দ্ধাৰণ কৰাটো কঠিন হোৱাৰ লগতে ব্যাকৰণৰ পৰিগণ্ডিত সামৰাটোও কঠিন। সি যি নহওঁক, এফ.এম. ৰেডিঅ'ৰ জনপ্ৰিয়তা যিহেতু অধিক সেই হেতুকে নিভাঁজ অসমীয়া ভাষাৰ ব্যৱহাৰত অধিক গুৰুত্ব আৰোপ কৰিলে অসমীয়া ভাষাই এক নতুন মাত্ৰা লাভ কৰিব। অন্ততঃ নৱ প্ৰজন্মই দুটা হ'লেও নিভাঁজ অসমীয়া শব্দ শিকি বাক্য গঠন কৰিবলৈ সক্ষম হ'ব।

**প্ৰসংগসূচী আৰু পদটীকাঃ**

১। চৌধাৰী, যতীন্দ্ৰ কুমাৰ : হিংলিছমিয়া/হিংলিছ বদলামিয়া, আৰ অসম, ২৬ মে, ২০১২।

২। ৰাভা হাকাচাম, উপেন : অসমীয়া আৰু অসমৰ ভাষা উপভাষা, ২০০৯, পৃ. ৩৬৮।

৩। বসু, জগন্নাথ : 'এফ. এম. ফোন ইন,' বেতাৰেৰ গ্ৰীণৰুম, ২০০৯ পৃ. ৭১।

৪। ৰাহাং, মঞ্জুলী : সংবাদ, ৩১, গীতানগৰ, গুৱাহাটী।

৫। শৰ্মা পূজাৰী, অনুৰাধা(সম্পাঃ) : সাদিন, ৩০/১০/২০০৯, পৃ. ১১।

৬। ৯২.৭ বিগ এফ.এম. ৪.১৪ আবেলি, ১৩/০৩/১২

**সহায়ক গ্ৰন্থপঞ্জী :**

অসমীয়া :

ৰাভা হাকাচাম, উপেন : অসমীয়া আৰু অসমৰ ভাষা উপভাষা; জ্যোতি প্ৰকাশন গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৯।

বাংলা :

বসু, জগন্নাথ : বেতাৱেৰ গ্ৰিণৰুম, সাহিত্য সংসদ, প্ৰথম প্ৰকাশ, ২০০৯

সংবাদপত্ৰ :

বৰগোহাঞি, হোমেন (সম্পাঃ) : আমাৰ অসম, জি. এল পাব্লিকেছন লিমিটেড, জি.এছ, ৰোডে, উলুবাৰী, গুৱাহাটী - ৭।

শৰ্মা পূজাৰী, অনুৰাধা (সম্পাঃ) : সাদিন, সাদিন প্ৰিণ্টাৰ্চ, বামুণী মৈদান, গুৱাহাটী-২১।

# SCOUTING – A WAY OF LIFE

**Arunima Debi**
**State Training Commissioner (G)**
**Bharat Scouts & Guides, Assam**

Whenever we talk about Scouting, one question comes to our mind very often, how and when did this Movement start? To find the answer we have to go back to the life of the Founder, Robert Baden Powell and specially his boyhood. The idea of Scouting was in his mind long before he experimented in the training of men as a soldier.

As a young boy Baden Powell had many exciting adventures in the company of his four brothers. They went boating, trekking, hiking and learnt by actual experience, how to be useful and self-reliant. Baden Powell also learned how to cook; how to swim; how to tie knots; how to build shelters and the most important part is to have a thoroughly good time in healthy, natural surroundings.

In his boyhood Baden Powell also went on tramping expeditions. He explored parts of his own country, sleeping out of doors, studying animals, birds and plants, sketching finding his way by the stars and generally collecting all sorts of information that he possibly could. These experiences of his boyhood days which he found attractive, and at the same time useful to himself and his brothers, later on gave him the inspiration for his successful methods of training the young soldiers in his care.

It is well known that when Baden Powell with his small force was surrounded in Mafeking during the Boer War, he was compelled to use young boys as messenger orderlies. The organisation of the young boys was the work of Lord Edward Cecil, but the response of the boys to the training made a great impression on Baden Powell. For the first time he consciously realised that an instrument for the boys was in his hands. After sometime when he was entrusted of raising and organising the South African Constabulary, he put the same kind of training into practice, but in a more complete way. He appealed to the human side of his men; he trusted them on their honour to do certain things and divided them into patrols of six with a leader.

Later when he returned to England and in order to try out his ideas into practice and experimental camp was held at Brown sea Island in August 1907. The camp was conducted with twenty boys who were drawn from different classes and different localities. They were divided into four Patrols and given a week's instruction in Scouting. Baden Powell says, though the boys got "but a mere smattering of the proposed teaching, its method and scopes were put to a good practical test."

The results of this camp confirmed his plan of work and encouraged Baden Powell to go ahead with the writing of the book, Scouting for Boys which was published in six fortnightly parts in 1908 and it was a little later it appeared in the form that we see it today.

The whole object of Scouting as it appeared to the Founder was the development of good citizenship. Baden Powell wrote, "The same causes which brought about the downfall of the Great Roman Empire are working today in Great Britain." These causes were "the decline of good citizenship among its subjects, due to want of energetic patriotism, to the growth of luxury and idleness, and to the exaggerated importance of local party politics." So, Baden Powel offered his "Scheme of Scouting," as a possible aid towards putting on a positive footing in the development of moral and physical growth of boys of all creeds and classes by means of activities which appeal to them.

. The causes of degradation which was eating into Great Britain in the time of Baden Powell in very much present in our Society today. So the need of

the hour is "Scouting." Values and attitudes change but the need for Scouting remains the same – which is to develop "Good Citizenship."

In "Aids to Scoutmastership", Baden Powell said, Scouting "is a game which elder brother (or sister) can give their younger brothers healthy environment and encourage them to healthy activities such as will help them to develop citizenship."

The first aim of Scouting is to develop a boy's personal character, by instilling in him self – control, self reliance, with a sense of honour, duty, service and a power to undertake responsibility. These qualities together with training in observation and deduction can help to build proper manhood.

Scouting provides the way to produce healthy citizens by the practise, such as Scouting games, camping, hiking, nature study, physical fitness and cleanliness. Scouting also has provision for gang spirit in the Patrol system establishing a close relationship among the patrol members which is a foundation to a cheerful and contented disposition.

Scouting helps to develop happy healthy citizens through character training, handicrafts, health training, brotherliness and religion. Character training takes place in the Patrol system which emphasises responsibility and by observing the Scouting Law.

Badges encourage handicraft and the importance of helpfulness.

Health training is provided by exercise, games, singing, open air activities and the knowledge of hygiene and the laws of health.

The Founder declared it the Manchester Conference in 1914:" I think the basis of almost any religion is founded on reverence and one's duty to one's God and one's neighbour, and that at least is what we can teach the practical line of what is best in every religion – by teaching reverence for God, reverence for others and reverence for themselves amongst the boys. Then there are the "good turns" to other people, whether small or great....These things are what every religion would gladly accept. " Scouting gladly accepts this. The promise of the scouts teaches " Duty to God." This duty to God reflects in the work which the Scouts take up. Duty to God is obviously of extreme importance. It is the foundation stone on which the whole of Scouting is built. It is the fabric which binds Scouting together. The conception of duty to God may differ in details but the principle remains the same and it consists in making the best possible use of the gifts that God has given us. Scouting itself is one of those gifts.

As the conditions which existed in England, at the time when the Founder felt a need for Scouting prevails in our society today where there is a decline of good citizenship, moral values are waning, people are becoming self – centred, there is only concern for self people are not ready to come out and help others. So it has become necessary to spread the message of Scouting among the youth and make it a way of life. The youth of today are the citizens of tomorrow. They are the decision makers. As the main objective of Scouting is development of good citizenship so, scouting can be used as a tool to provide character training by encouraging study of handicraft, health training, brotherliness and emphasising the importance of helpfulness. Therefore, Scouting should be a way of life.

**Ref:-**

i. Boy Scout
ii. Aids to Scoutmastership
iii. Scouting for Boys

# ভূপেন হাজৰিকাৰ কৰ্মৰাজিত শংকৰদেৱ প্ৰসংগ

দিগন্ত কুমাৰ দাস
ইতিহাস বিভাগ
জে. এন. মহাবিদ্যালয়, বকো

শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ জাতীয় জীৱনৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ। প্ৰকৃত অসমীয়াই মহাপুৰুষজনাৰ অনন্য সৃষ্টিসমূহক সদায়েই শ্ৰদ্ধা সহকাৰে সোঁৱৰণ কৰিব। মধ্যযুগৰ এইগৰাকী মনিষী আধুনিক কালৰ সভ্য, শিক্ষিত আৰু সংস্কৃতিবান অসমীয়াসকলৰ চৰ্চাৰ মধ্যমণি হৈ পৰিছে। মধ্যযুগত শঙ্কৰদেৱৰ উদ্যোগত গঢ়লৈ উঠা ভক্তিধৰ্ম কেন্দ্ৰিক অনুষ্ঠানসমূহ আৰু সাহিত্য সংস্কৃতিমূলক বিষয়সমূহে আধুনিক শিক্ষাৰে শিক্ষিত শ্ৰেণীৰ তৎপৰতাত যেন নতুনকৈ প্ৰাণ পাই উঠিছে। এই ক্ষেত্ৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, আচাৰ্য বাণীকান্ত কাকতি, পণ্ডিত ডিম্বেশ্বৰ নেওগ, পাণ্ডিত্য বাৰিধি ডঃ মহেশ্বৰ নেওগ, গৱেষক পণ্ডিত ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা আদিৰ অৱদান অনস্বীকাৰ্য । অসমৰ জাতীয় জীৱনৰ এই অগ্ৰণী ব্যক্তিসকলৰ গৱেষণামূলক ৰচনাৰ জৰিয়তে মহাপুৰুষজনাৰ বৰেণ্য জীৱনৰ বহুতো দিশ উন্মোচিত হৈ পৰিছে। শঙ্কৰদেৱৰ ভক্তি আৰু প্ৰেমৰ ওপৰত আধাৰিত ধৰ্ম, আধ্যাত্মিকতা, সাহিত্য আৰু সংস্কৃতিৰ বহুতো দিশ মূলতঃ সংগীতৰ মাধ্যমেৰে ভূপেন হাজৰিকাই জীৱন্ত কৰি তুলিছে। শঙ্কৰদেৱৰ জীৱন দৰ্শন তথা অসমৰ জাতীয় জীৱনলৈ তেঁওৰ অৱদানৰ বিষয়ে জনগণক ভৱাই তুলিবলৈ সক্ষম হৈছিল, কিংবদন্তি শিল্পীজনাৰ এনে কিছু মূল্যবান সৃষ্টিৰ জৰিয়তে।

অসমৰ জাতীয় জীৱনক সংগীতৰ মাধ্যমেৰে প্ৰভাৱিত কৰিব পৰা আটাইতকৈ শক্তিশালী উপাদান হৈছে বৰগীতসমূহ। ভূপেন হাজৰিকাই শিল্পী জীৱনৰ আদি ভাগত বৰগীত গায়েই সুনাম অৰ্জন কৰিছিল। শিল্পীজনাৰ সৃষ্টিৰাজিত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ যথেষ্ট প্ৰভাৱ দেখা যায়। শঙ্কৰদেৱক স্মৰণ কৰিয়েই তেঁও জীৱনৰ প্ৰথম গীতটি ৰচনা কৰিছিল। শঙ্কৰদেৱৰ নামৰ সুৰেৰে নাচি উঠা পবিত্ৰ বৰদোৱা থানৰ কল্পনা কৰিয়েই তেওঁ 'কুসুম্বৰ পুত্ৰ শ্ৰী শঙ্কৰ গুৰুৱে' শীৰ্ষক গীতটি ৰচনা কৰি গীতিকাৰ জীৱনৰ পাতনি মেলে। ১৯৩৭ চনত মাথোঁ এঘাৰ বছৰ বয়সতে ৰচিত এই গীতটোৰ জৰিয়তে শিশু ভূপেন হাজৰিকাই শঙ্কৰদেৱে অসমত ধৰ্ম প্ৰচাৰৰ নামত সন্মুখীন হোৱা লঘু লাঞ্চনাৰ বিষয়ে নিজৰ অনুভূতি ব্যক্ত কৰে। গুৰুজনাই মধ্যযুগীয় ৰজা ঘৰীয়া আতিশয্য আৰু পাৰিবাৰিক সংঘাতক আওকান কৰি নিৰ্মল বৈষ্ণৱ ধৰ্মৰ ঢলেৰে অসম ভূমিক ধন্য কৰিছিল। এই সত্যতাকেই ভূপেন হাজৰিকাই গীতৰ মাজেৰে প্ৰতিপন্ন কৰিছে —

"অশেষ যাতনা ভুঞ্জিলা শ্ৰীশঙ্কৰ ধৰমৰ নামত তুমি
সকলো দুখলৈ পিঠি দিলা গুৰু, ধন্য অসম ভূমি
মোৰ গুৰু ঐ, ধন্য অসম ভূমি"।।

মহাপুৰষজনাই বৈষ্ণৱ ধৰ্মৰ জৰিয়তে অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে সুৱৰি হাজৰিকাই পুনৰ কৈছে—

"নামঘৰ সাজিলা, ৰাইজক থাপিলা একতাৰ আসনত আনি
ভাওনা সোণতে বৰগীত সুৱগা প্ৰচাৰিলা দেৱবাণী
মোৰ গুৰু ঐ, প্ৰচাৰিলা দেৱবাণী।।"

মহাপুৰষজনাৰ মহাপ্ৰয়ানৰ পিছত অসম ভূমিত সৃষ্টি হোৱা মহা শূন্যতা বা অসম অভিভাৱকহীন ভূমিত পৰিণত হয়। শঙ্কৰ বিহীন অসমৰ মৰ্ম বেদনাৰ কথা শিল্পীজনাই গীতৰ মাধ্যমেৰে প্ৰকাশ কৰিছে —

"নামঘৰ সাজিলা, ৰাইজক থাপিলা একতাৰ আসনত আনি
ভাওনা সোণতে বৰগীত সুৱগা প্ৰচাৰিলা দেৱবাণী
মোৰ গুৰু ঐ, প্ৰচাৰিলা দেৱবাণী"।।

মহাপুৰুষজনাৰ মহাপ্ৰয়াণৰ পিছত অসম ভূমিত মহাশূন্যতাৰ সৃষ্টি হয়। শংকৰ বিহীন অসমৰ মৰ্ম বেদনাৰ কথা শিল্পীজনাই গীতৰ মাধ্যমেৰে প্ৰকাশ কৰিছে—

" এটুপি দুটুপি চকুলো সৰে মোৰ দুখনি চৰণক পাই

অসমৰ আকাশত দুখৰ ৰোল উঠিছে আজি
শ্ৰীশংকৰ নাই মোৰ গুৰু ঐ, আজি শ্ৰী শংকৰ নাই"।।

শ্ৰীশংকৰদেৱৰ জীৱন আৰু কৃতিত্বসমূহে ভূপেন হাজৰিকাক গীত সৃষ্টিৰ বাবে এক অনুপম অনুপ্ৰেৰণা যোগায়। তেওঁৰ আত্মজীৱনী 'মই এটি যাযবৰ'ত ডঃ হাজৰিকাই লিখিছে 'মই অসমৰ সংস্কৃতিৰ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে মনযোগেৰে পঢ়িছো, তেওঁৰ সুৰবোৰ মনপুতি শুনিছো, তেতিয়ালৈকে বৰগীত সমূহৰ এটাহে ভালদৰে জানিছিলো। সেইটো আছিল 'জয় জয় যাদৱ জলনিধি জাধৱ ধাতা'। হাজৰিকাৰ সুৱদি কণ্ঠত বৰগীত শুনি আপ্লুত হৈছিল গোপীনাথ বৰদলৈ। বৰদলৈয়ে হেনো ভূপেন হাজৰিকাক শংকৰদেৱৰ দৰে হ'ব লাগিব বুলি অনুপ্ৰেৰণা যোগাইছিল। বৰদলৈয়ে ভূপেন হাজৰিকাৰ পৰা প্ৰায়েই শুনিবলৈ বিচৰা বৰগীতটি আছিল —

"পাৱে পৰি হৰি কৰোহো কাতৰি
প্ৰাণ ৰাখবি মোৰ "।।

হাজৰিকাৰ গীতিকাৰ জীৱনৰ আদি ভাগত ৰচনা কৰা গীতসমূহ মুলতঃ ঐতিহ্যমূলক। এনে গীতসমূহৰ জৰিয়তে তেওঁ কেতিয়াবা জাতীয় সংহতিৰ ওপৰত জোৰ দিব বিচাৰে, এনে গীতৰ জৰিয়তে তেওঁ সমাজৰ বৰেণ্য ব্যক্তিসকলৰ আদৰ্শমূলক কথাৰে অনৈক্যৰ মাজত ঐক্য সাধন কৰিব বিচাৰে। এনে গীত সমূহত সততে শংকৰ মাধৱৰ প্ৰসংগ দেখা যায়। তেওঁৰ জীৱনৰ আদিভাগত ৰচনা কৰা এটি গীতত হাজৰিকাই জাতীয় জীৱনৰ বিশিষ্ট ব্যক্তি যেনে পদ্মনাথ গোঁহাঞি বৰুৱা, বিষ্ণু প্ৰসাদ ৰাভা, আনন্দ চন্দ্ৰ আগৰৱালা, চন্দ্ৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, অম্বিকাগিৰি ৰায় চৌধুৰী, মফিজ হাজৰিকা, আজান ফকিৰ, জ্যোতি প্ৰসাদৰ প্ৰসংগ টানি আনিছে। এই গীতৰ আৰম্ভনিতে হাজৰিকাই শংকৰ প্ৰসংগ দাঙি ধৰি লিখিছে —

"শংকৰ-মাধৱৰ মহা মহা সৃষ্টিৰে
উজ্জ্বল লুইতৰে পাৰ"।

গুৰুজনাৰ মহান ব্যক্তিত্বৰ মূল্যায়ণ কৰিবলৈ গৈ ভূপেন হাজৰিকাই 'নন্দন তত্বৰ কৰ্মীসকল' নামে গ্ৰন্থত লিখিছে— "আমাৰ মতে, ভাৰতবৰ্ষৰ কতো কাহানিও শ্ৰীশংকৰ গুৰুৰ দৰে বহুমূখী প্ৰতিভা সম্পন্ন ব্যক্তিত্বৰ পুৰুষ জন্মা নাই। মহাত্মা গান্ধীয়ে অস্পৃশ্যক 'হৰিজন' বুলিছিল। অথচ, পাঁচশ বছৰ আগতে কৈৱৰ্ত্ত জীয়ৰী ৰাধিকাৰ জ্ঞানক মৰ্য্যাদা দি গৈছিল শ্ৰীশংকৰে। হৰিৰ জন নুবুলি শ্ৰীশংকৰৰ পাচৰ নাজিৰাৰ শিষ্য শ্ৰীৰাম আতাই টিৱাপৰ জনজাতি নৃপক নৰৰ ভিতৰত উত্তম 'নৰোত্তম' আখ্যা দিছিল। আমাৰ মতে 'নৰোত্তম' কথাষাৰ হৰিজন শব্দতকৈ অৰ্থপূৰ্ণ কিয়নো ব্ৰাহ্মণ, শূদ্ৰ সকলো যিহেতু হৰিৰেই জন। এইজনা মহাপুৰুষ যি জনাই ৰবি ঠাকুৰৰ বহু আগতে বহু বিষয়ৰ কাৰ্যসূচী থকা ৰেচিডেন্সিয়েল সত্ৰৰূপী বিশ্ববিদ্যালয় পাতি গৈছে - যিগৰাকী শিক্ষাবিদে দৰ্শন, সাহিত্য, সংস্কৃতি, সমাজ সংস্কাৰৰ সৰ্বদিশে শিক্ষা দি গৈছে, শিক্ষাৰ অভিনৱ পদ্ধতি যাচি গৈছে- যিগৰাকী গুৰুৱে তাহানিৰ সংযোগ বিহীন ভাৰতৰ পূৱৰ পৰা পশ্চিমলৈ আৰু দক্ষিণলৈ কষ্টেৰে ভ্ৰমন কৰি জ্ঞান আহৰণ আৰু বিনিময় কৰিছিল- যিজনা গুৰুৰ সমাজ শিক্ষাৰ বাবে আজিও আমাৰ অসমত হিন্দু-মুছলমানৰ মাজত মৰা-মৰি, কটা-কটি হোৱা নাই — যি জনা গুৰু আজিৰ আসমীয়া জাতীয় নদীৰ গৰাখহনীয়াত একমাত্ৰ 'নৈতিক মথাউৰি' সদৃশ, তেনে এজন গুৰুৰ চিন্তা আজিৰ মডাৰ্ণ জেনেৰেশনৰ বৈপ্লৱিক চিন্তা ধাৰাতকৈ কোনাপধ্যে কম আধুনিক নহয়। শ্ৰীশংকৰৰ সামন্ত-তন্ত্ৰৰ বিৰোধিতা, সমদৃষ্টি (কুক্কুৰ-শৃগাল-গৰ্দ্দভৰো আত্মাৰাম), আৰ্থিক সংস্কাৰ, দৰ্শনৰ বৈজ্ঞানিক বিশ্লেষণ, সংসাৰত থাকিও সবাৰো বাবে আধ্যাত্মিক, শাৰীৰিক আৰু সমাজিক সমতা আৰু উন্নতি কামনা আৰু চিৰ সুন্দৰৰ উপাসনা এনে নানা গুণৰ বাবে আজিৰ আধুনিক সমাজে শ্ৰীশংকৰ আৰু তেৰাৰ চিন্তাধাৰাক অৱহেলা নকৰে, কৰিলেও তেনে শংকৰী মন্দাকিনীৰ অকণো ক্ষতি নহয়।" নিঃসন্দেহে গুৰুজনাৰ জীৱন দৰ্শনৰ ওপৰত তেনেই সীমিত শব্দেৰে এয়া এক নিখুঁত আৰু যুক্তিসংগত আলোকপাত। সেয়েহে হাজৰিকাই যাথাৰ্থভাৱে শংকৰদেৱৰ সমকক্ষ পুৰুষ ভাৰতবৰ্ষত জন্মা নাই বুলি কৈছে।

১৫ শতিকাত শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা স্তুতিমূলক গীত আৰু অন্যান্য বৈষ্ণৱ সাহিত্যৰাজিয়ে ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিসমূহত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। কোৱা বাহুল্য যে শংকৰদেৱৰ অভিনৱ সৃষ্টি একশৰণ নামধৰ্মত মূলতঃ গণতান্ত্ৰিক উপাদান নিহিত হৈ আছে। কাৰণ ই জাতি, বৰ্ণ, ধনী,দুখীয়া সকলোৰে বাবে মুক্ত।

ভূপেন হাজৰিকাৰো বহুতো গীতত শংকৰদেৱৰ এনে বিশ্ব ভাতৃত্ব আৰু জীৱনৰ মূল্যবোধৰ দৰ্শনৰ প্ৰতিফলন ঘটিছে। মধ্যযুগীয় বৈষম্যমূলক সমাজ ব্যৱস্থা, অস্পৃশ্যতা আৰু বৰ্ণ প্ৰথাৰ দোহাই দি সমাজৰ অৱহেলিত আৰু পিছপৰা শ্ৰেণীক সামাজিক আৰু অৰ্থনৈতিকভাৱে শোষণ কৰা হৈছিল। তেনেলোকৰ ধৰ্মীয় স্বাধীনতা নস্যাৎ কৰা হৈছিল। এনে অগণতান্ত্ৰিক ব্যৱস্থাই মানৱতাবাদী শংকৰদেৱক বিপ্লৱী কৰি তুলিছিল। সেয়েহে তেওঁৰ

দৰ্শনৰ জৰিয়তে সমাজৰ এনে পশ্চাদগামিতাৰ প্ৰত্যুত্তৰ দিছিল। শংকৰদেৱে তেওঁৰ শিষ্য হিচাপে মিকিৰ, মিচিং, গাড়ো, ভূটীয়া, বড়ো, কায়স্থ, কছাৰী, আহোম, ব্ৰাহ্মণ, কোছ, চুটীয়া, কৈৱৰ্ত্ত, চণ্ডাল আৰু মুছলমানৰ চান্দসাইকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোককে শিষ্যত্ব প্ৰদান কৰিছিল। শংকৰদেৱৰ এই সম অধিকাৰৰ মূল্য তেওঁৰ অপূৰ্ব সৃষ্টি অসমৰ জাতীয় সাহিত্যৰ কীৰ্তিস্তম্ভ স্বৰূপ 'কীৰ্তন ঘোষা'ত পোৱা যায়। তেওঁ ইয়াত দ্ব্যৰ্থহীনভাৱে লিখিছে -

"নাহি ভকতিত জাতি অজাতি বিচাৰ
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ"।।

শংকৰদেৱৰ শোষণকাৰী আৰু বিভেদকামীৰ বিৰুদ্ধে এই নিৰ্ভীক আৰু স্পষ্ট প্ৰতিবাদে হয়তো কুৰি শতিকাৰ ভাৰত তথা অসমত দেখা দিয়া অবাধ অৰ্থনৈতিক শোষণ আৰু সামাজিক বিশৃঙ্খলতাৰ বিৰুদ্ধে কোমল বয়সীয়া ভূপেন হাজৰিকাকো প্ৰতিবাদী কৰি তুলিছিল। সেয়া আছিল দ্বিতীয় বিশ্বযুদ্ধৰ সময় আৰু ভাৰতত মহাত্মাগান্ধীৰ নেতৃত্বত বৃটিছৰ ঔপনিবেশিক শাসন আৰু শোষণ, শ্ৰেণী বৈষম্য আৰু অস্পৃশ্যতাৰ পৰা মুক্তি বিচাৰি জনসাধাৰণে ধাৰাবাহিক অহিংস আন্দোলনত ব্ৰতী হৈছিল। ১৯৪২ চনৰ গণ বিপ্লৱৰ পটভূমিত সেয়েহে ষোল্ল বছৰীয়া ভূপেন হাজৰিকাৰ কাপৰ পৰা স্বতঃস্ফূৰ্তভাৱে নিগৰিত হৈছিল —

"অগ্নি যুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম।
নৰকঙ্কালৰ অস্ত্ৰ সাজি
শোষণকাৰীক বধিম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম।
ধৰ্ম ব্যৱসায়ীৰ ঠাই নাই তাত।
অস্পৃশ্যতাৰ মহাদানৱক
আপোন হাতেৰে নাশিম।
নতুন অসম গঢ়িম।
হৰিজন, পাহাৰী, হিন্দু, মুছলিমৰ
বড়ো, কোচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বৌৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।"

শংকৰদেৱৰ সমতাৰ আদৰ্শৰ লগত সংগতি থকা আন এক অমৰ গীত ড° ভূপেন হাজৰিকাই ৰচিছিল। এই গীতটোৰ জৰিয়তে ড° হাজৰিকাই জাতি-বৰ্ণ , উচ্চ-নীচৰ প্ৰাচীৰ ভেদি ওলাই অহা নতুন প্ৰজন্মক স্বাগতম্ জনোৱাৰ লগতে আশীৰ্বাদ দি কৈছে —

"যুৱতী অনামিকা গোস্বামী
আৰু যুৱক প্ৰশান্ত দাসে
বিয়াত হেনো কিছু বাধা পালে
ৰাম বাধা পালে
সেয়ে কাকো নজনাই কামাখ্যা ধামত
দুয়ো দুয়োকে মালা পিন্ধালে ........

এয়া প্ৰশান্ত আৰু অনামিকাৰ
জাতিকুল নেওচা সাহৰ যুগ
.......................................
এয়া সীমাৰ পৰিধি ভাঙাৰ যুগ"।

মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল ড° হাজৰিকাৰ সৃষ্টি সমূহ। ভুপেন হাজৰিকা আৰু মহাবাহু ব্ৰহ্মপুত্ৰ যেন এটি মুদ্ৰাৰ ইপিঠি সিপিঠি। ব্ৰহ্মপুত্ৰক লৈ গৌৰৱ কৰা, ব্ৰহ্মপুত্ৰকলৈ অভিমান কৰা, ব্ৰহ্মপুত্ৰক লৈ আক্ষেপ কৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ ঐতিহ্য প্ৰকাশ কৰিবলৈ গৈ তেওঁ শংকৰদেৱৰ প্ৰসংগ অৰ্থপূৰ্ণ ভাৱে প্ৰকাশ কৰিছে—

"মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
.......................
সুদূৰ কান্যকুব্জৰে পৰা বাৰভূঞা আহিছিলে
সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে"।।

ড° ভূপেন হাজৰিকাই তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে যে এজন ডেকা ল'ৰা হিচাপে তেওঁ কেতিয়াও এগৰাকী মহান গায়ক হ'ব বুলি সপোন দেখা নাছিল। তেওঁ গীত আৰু সংগীতক সমাজৰ উৎকৰ্ষ সাধনৰ এক মাধ্যম হিচাপে গণ্য কৰিছিল। শংকৰদেৱেও তেওঁৰ দ্বাৰা সৃষ্ট অভিনৱ সাংস্কৃতিক উপাদান, ভাওনা আৰু বৰগীতক মানুহৰ মাজত সহিষ্ণুতা আৰু বিশ্ব ভাতৃত্ববোধৰ বাণী প্ৰচাৰৰ এক মাধ্যম হিচাপেহে গ্ৰহণ